দৈনিক অগ্ৰদূত

যোৰহাট শনিবাৰ ৬ আহিন ১৪২৪ ভাস্কৰাব্দ ২৩ ছেপ্তেম্বৰ ২০১৭

## উৎসৱৰ বজাৰত বিপদ

শাৰদীয় উৎসৱৰ আগমনৰ লগে লগে ৰাজ্যৰ বজাৰত বিভিন্ন ধৰণৰ খেলনা, পুতলা, সাজ-সজ্জাৰ সামগ্ৰী ভৰি পৰিছে। বজাৰত উভৈনদী হোৱা এনেবোৰ সা-সামগ্ৰীৰ সৰহ সংখ্যকে চীনত তৈয়াৰী। অতি নিম্নমানৰ প্লাষ্টিক আদিৰে তৈয়াৰ কৰা চীনা সামগ্ৰীসমূহ মানৱ স্বাস্থ্যৰ বাবে কিমান ভয়াবহ হ'ব পাৰে, সেয়া ইতিমধ্যে বিভিন্ন গৱেষণামূলক অধ্যয়নত প্ৰকাশ পাইছে। চীনা সামগ্ৰীসমূহত এনে কেতবোৰ ৰাসায়নিক দ্ৰব্য নিহিত হৈ থাকে, যিবোৰৰ সংস্পৰ্শলৈ আহিলে মানৱ শৰীৰত কৰ্কট দৰে ৰোগ হোৱাৰ শংকা বৃদ্ধি পায় বুলিও গৱেষকসকলে ব্যক্ত কৰিছে; কিন্তু এনেবোৰ স্বাস্থ্যজনিত বিপদৰ শংকাকো আওকাণ কৰি সমগ্ৰ দেশৰ লগতে অসমতো চীনা সামগ্ৰীয়ে বৃহৎ বজাৰ লাভ কৰিবলৈ সক্ষম হৈছে। দেশীয় সামগ্ৰীৰ তুলনাত চীনা সামগ্ৰীৰ মূল্য কম হোৱা হেতুকে গ্ৰাহকেও এনেবোৰ সামগ্ৰী ক্ৰয় কৰি আহিছে। দুৰ্গা পূজাৰ পৰা আৰম্ভ কৰি দীপাৱলীলৈকে সময়ছোৱাত এতিয়া প্ৰতি বছৰে অসমবাসীয়ে শ শ কোটি টকা চীনা সামগ্ৰী ক্ৰয়ত ব্যয় কৰি আহিছে। খেলনা, পুতলা, বৈদ্যুতিক সামগ্ৰী আদি ক্ৰয়ৰ নামত অসমবাসীয়ে এই বতৰত প্ৰতি বছৰে অসমবাসীয়ে কে'বাশ কোটি টকা ব্যয় কৰিছে আৰু অতি নিকৃষ্ট মানৰ সামগ্ৰীৰে ব্যৱসায়ৰে লাভৱান হৈছে চুবুৰীয়া চীন। ভাৰতীয় উৎসৱ-পাৰ্বণৰ সুযোগ লৈ চীনে এইদৰে সস্তীয়া সামগ্ৰীৰে বেহা মেলি বজাৰত আধিপত্য বিস্তাৰ কৰিছে আৰু ইয়াৰ ফলত এফালে অসমৰ দৰে ৰাজ্যৰ আৰ্থিক হানি হৈছে আৰু আনহাতে জনস্বাস্থ্যৰ প্ৰতি ভাবুকি বৃদ্ধি পাইছে।

চীনা সামগ্ৰীৰ এনেবোৰ ক্ষতিকাৰক দিশৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ প্ৰচেষ্টা হাতত লৈছিল যদিও এই পদক্ষেপ মুঠেও সফল নহ'ল; বৰঞ্চ প্ৰশাসনৰ পৰা খেলনা, বৈদ্যুতিক সা-সামগ্ৰী, ম'বাইল ফোন ইত্যাদি সকলোতে চীনত তৈয়াৰী সামগ্ৰীৰে চাহিদা ৰাজ্যৰ বজাৰত বৃদ্ধি পাইছে। সস্তীয়া চীনা সামগ্ৰীৰ বহুল প্ৰচলনৰ পৰিণতিত দেশীয় উদ্যোগ খণ্ডই বিশেষকৈ খেলনা প্ৰস্তুতকাৰক, ম'বাইল ফোন নিৰ্মাতা, প্ৰসাধন সামগ্ৰী আদিয়ে তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থাত উপভোক্তাই কম মূল্যত উপলব্ধ সা-সামগ্ৰী অধিক ক্ৰয় কৰাটো স্বাভাৱিক; কিন্তু চীনা সস্তীয়া সামগ্ৰীৰ ক্ষেত্ৰত বিপদটো হৈছে এইসমূহ সামগ্ৰী অতি নিম্নমানৰ হোৱাৰ লগতে মানৱ শৰীৰৰ বাবে মাৰাত্মক। তদুপৰি চীনত উৎপাদিত এনে সা-সামগ্ৰী ক্ৰয় কৰাৰ ফলত অসমৰ পৰা বৃহৎ পৰিমাণৰ ধন চুবুৰীয়া দেশখনলৈ গুচি গৈছে। মানৱ স্বাস্থ্যৰ সুৰক্ষা আৰু ৰাজ্যখনৰ আৰ্থিক ৰক্ষণা-বেক্ষণৰ স্বাৰ্থতে সস্তীয়া চীনা সামগ্ৰীৰ অবাধ ব্যৱসায় নিয়ন্ত্ৰণৰ কথা চিন্তা কৰিব লাগিব। মুক্ত বজাৰ ব্যৱস্থাত হঠাতে চীনা সামগ্ৰীৰ বিক্ৰী নিষিদ্ধ কৰা সম্ভৱ নহয়; কিন্তু চৰকাৰে এনেবোৰ সামগ্ৰীৰ উপ-কৰ আদি আৰোপ কৰি চীনা সামগ্ৰী ক্ৰয়ৰ প্ৰতি ক্ৰেতাৰ আকৰ্ষণ নিয়ন্ত্ৰিত কৰিব পাৰিব। অসমবাসীও এই ক্ষেত্ৰত সচেতন হোৱাটো জৰুৰী হৈছে।

উৎসৱৰ বতৰ ইতিমধ্যে আৰম্ভ হৈছে আৰু উৎসৱৰ এই বজাৰত স্বাভাৱিকতে চীনত তৈয়াৰী সস্তীয়া সামগ্ৰীয়ে আধিপত্য বিস্তাৰ কৰিব। এই ক্ষেত্ৰত সেয়েহে ৰাজ্যবাসী সজাগ উপভোক্তা হ'ব লাগিব। উৎসৱৰ আনন্দ উপভোগৰ নামত সস্তীয়া চীনা সামগ্ৰী কিনি ধনৰ অপচয় নকৰি সেই ধনৰে স্বদেশী উন্নত মানৰ দ্ৰব্য ক্ৰয় কৰিলে দেশৰ অৰ্থনীতিও সবল হ'ব আৰু এনে সামগ্ৰী ব্যৱহাৰৰ ফলত স্বাস্থ্যজনিত বিপদৰো আশংকা নাথাকিব। জাকজমকীয়া খেলনা সামগ্ৰী দেখিলেই তেনে সামগ্ৰী শিশুক কিনি দিয়াৰ পৰিৱৰ্তে উৎসৱৰ বতৰত শিশুৰ জ্ঞান-বুদ্ধিৰ বিকাশত সহায় হ'ব পৰা সামগ্ৰীহে অভিভাৱকে যোগান ধৰা উচিত। পুতলা, বন্দুক বা অন্যান্য অস্ত্ৰ জাতীয় খেলনা সামগ্ৰীৰ বজাৰখন বিশ্বজুৰি বিশাল হৈ আহিছে আৰু ইয়াৰ বাবে অভিভাৱকসকলো বহু পৰিমাণে জগৰীয়া। সচেতন অভিভাৱকে উৎসৱৰ এই বতৰত সন্তানক সস্তীয়া চীনা খেলনা আদিৰ পৰিৱৰ্তে বিভিন্ন বিষয়ৰ গ্ৰন্থ, ক্ৰীড়া সামগ্ৰী ইত্যাদি ক্ৰয় কৰি দিলে শিশুৰ বৌদ্ধিক-শাৰীৰিক বিকাশৰ লগতে অৰ্থৰো অপব্যয় ৰোধ হ'ব। পূজাৰ আয়োজক সমিতিসমূহেও উৎসৱৰ বতৰত খেলনাৰূপী অস্ত্ৰ-শস্ত্ৰ আদি ক্ৰয়ৰ পৰা ৰাইজক বিৰত ৰখাৰ বাবে সজাগতা সৃষ্টিৰ পদক্ষেপ গ্ৰহণ কৰা উচিত। পৰম্পৰাগত উৎসৱ পালন কৰিবলৈ গৈ অসমবাসীয়ে সস্তীয়া আৰু নিম্নমানৰ চীনা সামগ্ৰী কিনি চুবুৰীয়া দেশখনৰ অৰ্থনীতি টনকিয়াল কৰাৰ কোনো যুক্তি নাই। সময় থাকোতেই অসমবাসী এই বিষয়ত সজাগ হোৱা উচিত। মানৱ স্বাস্থ্যৰ ক্ষতিকাৰক দেশী-বিদেশী কোনো সামগ্ৰী যাতে বজাৰত বিক্ৰী হ'ব নোৱাৰে, তাক চৰকাৰে নিশ্চিত কৰিব লাগিব।

## খো লা ম ঞ্চ

### বিবাহ-বিচ্ছেদ আৰু সন্তানৰ ওপৰত প্ৰভাৱ



**বিবাহ** হ'ল এটা সামাজিক পৰম্পৰা। নাৰী-পুৰুষ দুয়োৰে মন হৃদয় একাত্ম হৈ সংসাৰ আগবঢ়াই লৈ যোৱাৰ এটা সামাজিক প্ৰথা। হোমৰ জুইক সাক্ষী কৰি স্বামী-স্ত্ৰীয়ে দুয়ো-দুয়োৰে সহযোগিতা আগবঢ়াই যোৱাৰ মানসেৰে বিবাহ পাশত আৱদ্ধ হয়। স্বামী-স্ত্ৰীৰ আন্তৰিক মিলনেই বিবাহ যদিও ইয়াৰ লগত দুখন ঘৰৰ মৰম-স্নেহ, আত্মীয়তাৰে বান্ধ খাই থাকে। বিবাহৰ বাবে প্ৰথমে নাৰী পুৰুষ দুয়োজনৰেই শাৰীৰিক মানসিক ভাৱে প্ৰস্তুত হোৱা দৰকাৰ। স্বামী-স্ত্ৰীৰ মাজত বুজাপৰা, মৰম-স্নেহ, বিশ্বাস থাকিলেহে এখন সংসাৰ সুখৰ বুলি ক'ব পাৰি। ইজনে-সিজনক বুজি নাপালে বা বিশ্বাস নকৰিলে সংসাৰত আউল লাগে আৰু সংসাৰখন ভাঙোনমুখী হয়। ফলত তাৰ প্ৰভাৱ সন্তানৰ জীৱনলৈ আহে। এটা শিশুৱে জীৱনৰ আদিপাঠ ঘৰখনত শিকে। ঘৰখন সন্তানৰ বাবে উত্তম পঢ়াশালি আৰু পিতৃ-মাতৃ সন্তানৰ প্ৰথম শিক্ষা গুৰু। সন্তানৰ শাৰীৰিক, মানসিক, চাৰিত্ৰিক তথা বৌদ্ধিক বিকাশ হয় পিতৃ-মাতৃ তথা ঘৰখনৰ বাকী সদস্যসকলৰ পৰা। গতিকে পিতৃ-মাতৃৰ পাৰিবাৰিক কন্দলৰ ফলত ঘৰখনত এটা অসুস্থ বাতাবৰণৰ সৃষ্টি হয়। এই অসুস্থ বাতাবৰণে সন্তানৰ মানসিক দিশত আঘাত হানে আৰু জীৱনৰ গতিপথ সলনি হ'বলৈ ধৰে। পিতৃ-মাতৃৰ অন্তৰ্কন্দলৰ আঁৰত বহু কাৰণ জড়িত হৈ থাকে। তাৰ ভিতৰত যৌতুকজনিত কাৰণ, অত্যধিক সুৰাপান, দাৰিদ্ৰতা, সন্দেহ, বিশ্বাসঘাতকতা আৰু উচ্চাকাংক্ষা। উক্ত কাৰণসমূহৰ বশৱৰ্তী হৈ স্বামী-স্ত্ৰীৰ মানসিক অস্থিৰতা-হতাশা আহে। ফলত বিবাহ-বিচ্ছেদৰ সিদ্ধান্ত গ্ৰহণ কৰে।

**স্বামী-স্ত্ৰীৰ বুজাপৰা মৰম-স্নেহেৰে সংসাৰখন আগবঢ়াই নি সন্তানক ভৱিষ্যৎ প্ৰজন্মৰ আদৰ্শ হৈ জীয়াই থকাৰ মানসিকতা গঢ়ি তোলাহে পিতৃ-মাতৃৰ দায়িত্ব আৰু কৰ্তব্য**

বিবাহ-বিচ্ছেদৰ ফলত সন্তান পিতৃ-মাতৃৰ মৰম-স্নেহৰ পৰা বঞ্চিত হ'ব লগা হয় আৰু সামাজিকভাৱেও কেতিয়াবা অৱহেলিত হোৱা দেখিবলৈ পোৱা যায়। সন্তানৰ জীৱনত পিতৃ-মাতৃৰ মৰম-স্নেহ তথা অনুশাসন নিতান্তই বাঞ্ছনীয়। সন্তান যেতিয়া পিতৃ-মাতৃৰ মৰম-স্নেহৰ পৰা পৃথক হ'ব, তেতিয়াই মানসিক বা চাৰিত্ৰিক দিশত উচ্ছৃংখল হয়, ঘৰ আৰু সামাজিক দায়ৱদ্ধতাৰ পৰাও আঁতৰি থাকে। সেয়েহে বিবাহ-বিচ্ছেদ আমি কেতিয়াও কামনা নকৰো। স্বামী-স্ত্ৰীৰ বুজাপৰা মৰম-স্নেহেৰে সংসাৰখন আগবঢ়াই নি সন্তানক ভৱিষ্যৎ প্ৰজন্মৰ আদৰ্শ হৈ জীয়াই থকাৰ মানসিকতা গঢ়ি তোলাহে পিতৃ-মাতৃৰ দায়িত্ব আৰু কৰ্তব্য।

**বন্তি দেৱী,** গৃহিণী

## সংবাদ মাধ্যমৰ স্বাধীনতাৰ সংকট

# গণতন্ত্ৰৰ ধ্বজাবাহকৰ হত্যা আৰু বুদ্ধিজীৱীৰ একপক্ষীয় বিচাৰ

**ড° জয়কান্ত শৰ্মা**

এখন প্ৰতিষ্ঠিত হিন্দী কাকতৰ সাংবাদিক ৰাজদেও ৰঞ্জন সেইদিনাও আনদিনাৰ দৰেই কাৰ্যালয়ৰ পৰা উভতি আহিছিল; কিন্তু আদবাটতে অজ্ঞাত আততায়ীয়ে তেওঁৰ দেহ গুলিৰে থকা-সৰকা কৰি দিলে। বিহাৰৰ ছিৱানত সংঘটিত এই লোমহৰ্ষক হত্যাকাণ্ডৰ আঁৰত ছৈয়দ ছাহাবুদ্দিন নামৰ মাফিয়া নেতাজনৰ গুণ্ডাবাহিনীয়েই আছিল বুলি সকলোৱে জানে; কিন্তু মুখ খুলি ক'বলৈ সাহস নাই। ছাহাবুদ্দিন প্ৰাক্তন সাংসদ লালুপ্ৰসাদৰ ঘনিষ্ঠ সহযোগী। ৰঞ্জনে ছাহাবুদ্দিনৰ এটাৰ পাছত আনটো অপকৰ্ম কাকতত উদঙাই দি আহিছিল। এতিয়াও অনেকে ছাহাবুদ্দিনৰ বিৰুদ্ধে তৰা গোচৰটো উঠাই ল'বলৈ ৰঞ্জনৰ পত্নী আশাক হেঁচা দি আছে; কিন্তু সাহসী মহিলাগৰাকীয়ে ন্যায়ালয়ৰ আশা এৰি দিয়া নাই। বৰঞ্চ কেইমাহমান পূৰ্বে তেওঁৰ আবেদনৰ ভিত্তিতেই সৰ্বোচ্চ ন্যায়ালয়ে ছাহাবুদ্দিনক ছিৱান কাৰাগাৰৰ পৰা তিহাৰ জেললৈ স্থানান্তৰণৰ আদেশ দিলে।

বিগত ১৬ মাহতকৈও অধিক কাল ধৰি ৰঞ্জনৰ পৰিয়ালটোৱে গভীৰ আতংকত দিন কটাইছে; তেওঁৰ ১০ বছৰীয়া ছোৱালীজনীয়ে লগত গা-ৰক্ষী লৈ স্কুললৈ যাব লাগে। ৰঞ্জনৰ পিতৃও আতংকগ্ৰস্ত; কাৰণ তেওঁৰ বৰপুত্ৰকো ছাহাবুদ্দিনৰ গুণ্ডাবাহিনীয়েই হত্যা কৰিছিল। আমি সাংবাদিক ৰঞ্জনৰ হত্যাৰ বিষয়টো কিছু সবিস্তাৰে উল্লেখ কৰাৰ কাৰণ হ'ল, এই বিষয়ে দেশৰ স্বয়ম্ভু অভিভাৱকস্বৰূপ বাওঁপন্থী বুদ্ধিজীৱীসকলে কোনোদিনে মাত মতা পৰিলক্ষিত নহ'ল।

একে কথা উত্তৰ প্ৰদেশৰ চাহজানপুৰৰ সাংবাদিক যোগেন্দ্ৰ সিঙৰ ক্ষত্ৰতো প্ৰযোজ্য। তেতিয়া উত্তৰ প্ৰদেশত অখিলেশ যাদৱৰ চৰকাৰ। চৰকাৰখনৰ এজন ক্ষমতাশালী মন্ত্ৰীৰ পৰ্বতসমান ভ্ৰষ্টাচাৰৰ বিষয়ে লিখি থকা যোগেন্দ্ৰক এদিন পুৱা নিজ ঘৰতে আৰক্ষীৰ লোকে আহি জ্বলাই মাৰিলে। মৃত্যুৰ আগতে এই বিষয়ে তেওঁ দণ্ডাধীশৰ সন্মুখত দিয়া সবিশেষ বৰ্ণনাৰ ভিডিঅ' ৰেকৰ্ডিং কৰা হৈছিল, ৰাষ্ট্ৰীয় সংবাদ মাধ্যমতো কথাটো প্ৰকাশ পাইছিল। তেতিয়াও স্বয়ম্ভু অভিভাৱকৰূপী বুদ্ধিজীৱীসকল নিমাতে থাকিল। এতিয়াও বাহুবলী প্ৰাক্তন মন্ত্ৰীৰ গুণ্ডাবাহিনীয়ে নিহত সাংবাদিকজনৰ পুত্ৰক গোচৰটো প্ৰত্যাহাৰ কৰিবলৈ হেঁচা দি আছে।

আন এটা উদাহৰণ দিছো। হাৰিয়ানাৰ চিৰচাৰ পৰা প্ৰকাশিত 'পূৰা সচ' নামৰ সৰু কাকতখনেই প্ৰথমবাৰৰ বাবে উদঙাই দিছিল ডেৰা ধৰ্মীয় সংগঠনৰ মুৰব্বী ৰামৰহিমৰ তথাকথিত 'মাফী' বা সাধ্বী ধৰ্ষণৰ অপকৰ্ম। ২০০২ৰ ২৩ অক্টোবৰত কাকতখনে এইবুলি খবৰ এটা প্ৰকাশ কৰিছিল যে চি বি আই এ বিষয়টোৰ সন্দৰ্ভত তদন্ত চলাবলৈ লৈছে আৰু উচ্চ ন্যায়ালয়ে তাত বাধা আৰোপ কৰা নাই। তাৰে পিছদিনাই ডেৰাৰ সশস্ত্ৰ বাহিনীয়ে কাকতখনৰ স্বত্বাধিকাৰী ৰামচন্দ্ৰ ছত্ৰপতিক গুলীয়াইছিল। ২৮ দিন হাস্পতালত চিকিৎসাধীন হৈ থকাৰ পাছত সাংবাদিকগৰাকীৰ মৃত্যু হৈছিল। তেতিয়াও স্বয়ম্ভু অভিভাৱকসকলে কিবা প্ৰতিবাদ কৰাৰ কথা মনত নপৰে। উল্লেখ্য যে 'পূৰা সচ'ৰ সেই বাতৰিটোৰ ভিত্তিতেই চি বি আই এ তদন্ত চলাই ৰামৰহিমৰ বিৰুদ্ধে গোচৰ তৰিলে আৰু সৌ সিদিনা ধৰ্মগুৰুৰূপী জঘন্য অপৰাধীজনক আদালতে ২০ বছৰৰ কাৰাদণ্ড বিহিছে।

ভাৰতৰ সাংবাদিকসকলে কেনে কঠিন পৰিস্থিতিৰ মাজত সাংবাদিকতা অব্যাহত ৰাখিছে সেইটো বুজিবলৈ উপৰিউক্ত উদাহৰণ তিনিটাই যথেষ্ট। ছৈয়দ ছাহাবুদ্দিনে ছিৱালৰ কাৰাগাৰৰ ভিতৰত থাকিয়েই মাফিয়াৰাজ চলাই ৰাখিছিল। সেই সম্পৰ্কে প্ৰমাণ দিবলৈ এটা বৈদ্যুতিন মাধ্যমৰ চেনেলে ছাহাবুদ্দিন আৰু লালুপ্ৰসাদৰ মাজৰ গোপন কথা-বতৰাৰ বাণীবদ্ধ টেপ প্ৰচাৰ কৰিছিল আৰু লগে লগেই লালুৰ সমৰ্থকসকলে আক্ৰমণৰ লক্ষ্য কৰি লৈছিল সংশ্লিষ্ট সাংবাদিক দুগৰাকীক। এই সন্দৰ্ভতো বাওঁপন্থী বুদ্ধিজীৱীসকল মৌন হৈ আছিল।

পিছে এতিয়া কৰ্ণাটকৰ সাংবাদিক গৌৰী লংকেশ অজ্ঞাত আততায়ীৰ হাতত নিহত হোৱাৰ পাছতে প্ৰতিবাদৰ ঢৌ উঠিছে সমগ্ৰ ভাৰততে। বাওঁপন্থী বুদ্ধিজীৱীসকলে কৈছে, গৌৰী লংকেশৰ হত্যাৰ অৰ্থ হ'ল এটা আদৰ্শৰ হত্যা। তেওঁ হিন্দুত্ববাদী সোঁপন্থী সংগঠনৰ বিৰুদ্ধে লিখা-মেলা কৰিছিল; এতেকে নিশ্চিতভাৱে এই হত্যাকাণ্ডত ভাৰতীয় জনতা পাৰ্টি আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ জড়িত আছে। এই অভিযোগ কৰিছে ৰাহুল গান্ধী আৰু সীতাৰাম য়েচুৰীয়ে, তাকো গৌৰী হত্যাৰ খবৰটো ওলোৱাৰ ১৫ মিনিট মান পাছতে। মন কৰিবলগীয়া যে ২০১৫ত দুয়ো একেখন মঞ্চৰ পৰা ভাৰতীয় জনতা পাৰ্টিৰ বিৰুদ্ধে নিৰ্বাচনী প্ৰচাৰ চলাইছিল। সেয়ে প্ৰশ্ন উঠিছে। এতিয়া আসন্ন কৰ্ণাটকৰ বিধানসভাৰ নিৰ্বাচনত তেওঁলোকে গৌৰী লংকেশৰ হত্যাৰ পৰা ৰাজনৈতিক লাভ আদায় কৰিববলৈ বিচাৰে নেকি?



গৌৰী লংকেশৰ হত্যাকাৰী সন্দৰ্ভত পূৰ্বানুমান কৰাটো মুঠেই সম্ভৱ নহয়; কিন্তু হত্যাকাণ্ডটোক সকলোৱে তীব্ৰ গৰিহণা দিবই লাগিব। এইটো সঁচা যে যিকোনো হত্যাকাণ্ডই গৰিহণাৰ যোগ্য; কিন্তু সাংবাদিক হত্যাৰ স'তে প্ৰকাশৰ স্বাধীনতাৰ প্ৰতি ভাবুকিৰ প্ৰশ্নটো জড়িত হৈ আছে, যিটো গণতন্ত্ৰৰ বাবে বিপদঘন্টাস্বৰূপ।

গৌৰী লংকেশৰ হত্যাৰ প্ৰতিবাদ কৰিবলৈ বাংগালুৰুত আয়োজিত এখন সভাত তথাকথিত বুদ্ধিজীৱীসকলৰ লগতে উপস্থিত আছিল এচাম বাওঁপন্থী নেতা আৰু একাংশ কংগ্ৰেছীও। আনকি কৰ্ণাটকৰ গৃহমন্ত্ৰীগৰাকীৰ পৰিয়ালৰ লোকো তাত আছিল। এইটো ক্ৰমান্বয়ে স্পষ্ট হৈ পৰিছে যে কংগ্ৰেছ, কমিউনিষ্ট আৰু বাওঁপন্থী বুদ্ধিজীৱীৰ সম্মিলিত শক্তিয়ে গৌৰী লংকেশৰ দুৰ্ভাগ্যজনক মৃত্যুক এটা ৰাজনৈতিক প্ৰচাৰৰ বিন্দু কৰিববলৈ বিচাৰে। পিছে সেইটোক সংবাদ মাধ্যমৰ স্বাধীনতাৰ প্ৰতি দায়বদ্ধতা বুলি ক'ব পৰা যায়নে? ভাৰতত মাথোন গৌৰী লংকেশেহে এটা আদৰ্শক প্ৰতিনিধিত্ব কৰিছিল; ৰাজদেও ৰঞ্জন, যোগেন্দ্ৰ সিং, ৰামচন্দ্ৰ ছত্ৰপতিৰ দৰে সাংবাদিকসকলৰ একো আদৰ্শই নাছিল; তেনে কথা মানি ল'ব নোৱাৰি। সাংবাদিকৰ আদৰ্শই বা কি? গোষ্ঠীগত বা সম্প্ৰদায়কেন্দ্ৰিক অথবা ৰাজনৈতিক মতবাদৰ পক্ষপাতিত্ব নকৰাকৈ প্ৰকৃত সত্যক সমাজৰ স্বাৰ্থত উদঙাই দিয়াটোৱেই সাংবাদিকৰ পৱিত্ৰ ধৰ্ম নহয় জানো?

প্ৰকৃততে গৌৰী লংকেশৰ হত্যাৰ প্ৰসংগত কৰ্ণাটকৰ কংগ্ৰেছ চৰকাৰখনকহে জবাবদিহি কৰাৰ থল আছিল। সাংবাদিকগৰাকীয়ে মুখ্যমন্ত্ৰীৰ সহযোগত বিদ্ৰোহী মাওবাদীৰ আত্মসমৰ্পণ কৰোৱাৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল; তাৰ বাবে একাংশ মাওবাদীৰ মনত গৌৰী লংকেশ হৈ পৰিছিল প্ৰচণ্ড ঘৃণাৰ পাত্ৰ। তৎসত্বেও সীতাৰামায়া চৰকাৰে তেওঁক আৰক্ষীৰ ৰক্ষণাবেক্ষণ দিয়া নাছিল কিয়? লক্ষ্যণীয় যে গুলিবিদ্ধ হোৱাৰ ১৫ ঘন্টা পূৰ্বে গৌৰীয়ে টুইটাৰত এইবুলি মত প্ৰকাশ কৰিছিল যে বাওঁপন্থী শিবিৰৰ মাজত সংঘাত ঘটাটো ভাল কথা হোৱা নাই; আমাৰ কমৰেডসকলে পাৰস্পৰিক বুজাবুজিৰ মাজেৰে সৰ্ব শান্তি স্থাপনৰ দিশতহে প্ৰয়াস চলোৱা উচিত। এতিয়ালৈকে বাওঁপন্থী বুদ্ধিজীৱীসকলে গৌৰী লংকেশ-মাওবাদীৰ যোগসূত্ৰ সন্দৰ্ভত মাত মতা নাই।

এইটো সঁচা যে গৌৰী লংকেশৰ স'তে একাংশ ভাজপা নেতাৰো সংঘাত চলি আছিল। ২০০৮ত তিনিজন ভাজপা বিধায়কৰ বিৰুদ্ধে তেওঁৰ কাকতত অপমানসূচক মন্তব্য প্ৰকাশ পাইছিল; তাৰ বাবে মানহানি গোচৰৰ সন্মুখীন হ'বলগীয়াত পৰিছিল গৌৰী লংকেশ। মন্তব্যৰ যথাৰ্থতা সাব্যস্ত কৰিব নোৱৰাত আদালতে তেওঁক কাৰাদণ্ড বিহিছিল। প্ৰকৃততে তেওঁ জামিনত মুক্তি পাই থকা কালতে নিহত হ'ল। কৰ্ণাটক চৰকাৰে গঠন কৰা বিশেষ তদন্তকাৰী গোটটোৱে সন্দেহ প্ৰকাশ কৰিছে যে গৌৰী লংকেশ ভাড়াতীয়া আততায়ীৰ হাততো নিহত হ'ব পাৰে। তেওঁলোকে হেনো ২০১৫ত নিহত এম এম কালবুৰ্গীৰ হত্যাকাণ্ডৰ স'তে ঘটনাটোৰ যথেষ্ট সাদৃশ্য বিচাৰি পাইছে। উল্লেখযোগ্য যে কালবুৰ্গী হত্যাৰ শুংসূত্ৰও কৰ্ণাটক চৰকাৰে আজিকোপতি উলিয়াব পৰা নাই। বহুতে ভাবে, বাওঁপন্থী শিবিৰৰ আভ্যন্তৰীণ সংঘাতৰ ফলত এনেবোৰ হত্যাকাণ্ড সংঘটিত হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। এসময়ত পশ্চিমবংগত এনে ধৰণৰ ঘটনা বহুত ঘটিছিল; এতিয়া কেৰালাতো ঘটি আছে।

সি যিয়েই নহওক, মাথোন গৌৰী লংকেশৰ হত্যাকাণ্ডৰ বাবেই নহয়, সাধাৰণ আইন-শৃংখলাৰ অৱনতি ঘটাৰ পৰিপ্ৰেক্ষিততো কৰ্ণাটক চৰকাৰখন জগৰীয়া। বিগত দুটা বছৰত ৰাজ্যখনত প্ৰায় এক ডজন আৰ এছ এছৰ কৰ্মী অজ্ঞাত আততায়ীৰ হাতত নিহত হৈছে। কৰ্ণাটকত কে'বাজনো আৰক্ষীৰ লোকে আত্মহত্যা কৰিছে, তেওঁলোকৰ ভিতৰত উচ্চপদস্থ আৰক্ষী বিষয়াও আছে। আনহাতে, কুখ্যাত ভ্ৰষ্টাচাৰী নেতা শশীকলাক কাৰাগাৰৰ ভিতৰত ৰাজআতিথ্য আগবঢ়োৱাৰ তথ্য দাখিল কৰি চৰকাৰৰ ৰোষৰ পাত্ৰ হৈছে আই পি এছ বিষয়া ডি আই জি ডি ৰূপা। লিখিত প্ৰতিবেদনত ৰূপাই মন্তব্য দিছে যে দুই কোটি টকাৰ ভেটি দি শশীকলাই কাৰাগাৰৰ ভিতৰতে তিনি তাৰকা হোটেলৰ সা-সুবিধা লাভ কৰাৰ উপৰি গোপনে কাৰাগাৰৰ বাহিৰলৈ গৈ ৰাজনৈতিক কাৰ্যকলাপতো ভাগ লোৱাৰ সুযোগ লৈছে। সীতাৰামায়া চৰকাৰে ডি ৰূপাক বদলি কৰিছে সঁচা; কিন্তু ডি ৰূপাৰ তথ্য ভিত্তিহীন বুলি ক'ব পৰা নাই। এনে পৰিস্থিতিত গৌৰী লংকেশৰ হত্যাকাণ্ডটোৰ সৌজন্যত বাওঁপন্থী বুদ্ধিজীৱীসকলে অকৰ্মণ্য সীতাৰামায়া চৰকাৰৰ বাবে উদ্ধাৰকৰ্তাৰ ভূমিকা ল'লে নেকি, সেই প্ৰশ্ন অপ্ৰাসংগিক নহয়।

এই সময়ত গৌৰী লংকেশৰ হত্যাকাৰী সন্দৰ্ভত পূৰ্বানুমান কৰাটো মুঠেই সম্ভৱ নহয়; কিন্তু হত্যাকাণ্ডটোক সকলোৱে তীব্ৰ গৰিহণা দিবই লাগিব। এইটো সঁচা যে যিকোনো হত্যাকাণ্ডই গৰিহণাৰ যোগ্য; কিন্তু সাংবাদিক হত্যাৰ স'তে প্ৰকাশৰ স্বাধীনতাৰ প্ৰতি ভাবুকিৰ প্ৰশ্নটো জড়িত হৈ আছে, যিটো গণতন্ত্ৰৰ বাবে বিপদঘন্টাস্বৰূপ। সাংবাদিক মালিনী সুব্ৰমণিয়মে সঠিকভাৱেই প্ৰশ্ন কৰিছে, ভাৰতত সংবাদ মাধ্যমৰ স্বাধীনতা ক'ত? বিগত তিনিটা দশকত অসমতে ৩২ গৰাকী সাংবাদিকে প্ৰাণ দিছে: মণিপুৰত নিহত হৈছে ছগৰাকী, তাৰ ভিতৰত চাৰিগৰাকী সম্পাদকো আছে। জম্মু আৰু কাশ্মীৰ, ছত্তিছগড় আদিৰ দৰে সন্ত্ৰাসবাদী অধ্যুষিত অঞ্চলত সাংবাদিক নিগ্ৰহ এটা গতানুগতিক ঘটনা। এনে পৰিস্থিতিত সংবিধানপ্ৰদত্ত সংবাদ মাধ্যমৰ স্বাধীনতা হৈ পৰিছে অৰ্থহীন।

ৰাজনৈতিক বিচাৰধাৰা যিয়েই নহওক, সাংবাদিকসকলে প্ৰকাশৰ স্বাধীনতাক নিৰপেক্ষভাৱে প্ৰয়োগ কৰা উচিত। আশাৰ বতৰা এইটোৱেই যে প্ৰাণৰ সংশয়ক আওকাণ কৰিও ভাৰতত হেজাৰ-বিজাৰ সাংবাদিকে ঠিক তাকেই কৰি আছে। *ফোন : ৯৪৩৫৫-৫৪২০৫*

# মানুহক স্পৰ্শ নকৰা বিকাশ কৰ্মহীন কৰা উন্নয়ন আৰু ৰজাঘৰীয়া দুখমোচনৰ বিলাপ

**অৱলোকন**



**শৰৎ দাস**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি চৰকাৰে অৰ্থনৈতিক বৃদ্ধিত কোনো কাৰ্যকৰী প্ৰভাৱ পেলোৱা নাই। লগতে কাম সৃষ্টি বা ইয়াৰ তিনি বছৰ কালত সামাজিক সমন্বয় বৰ্তাই ৰখাত সম্পূৰ্ণ ওলোটা কৰিছে। কেৱল ২০১৯ত কেনেকৈ সংখ্যাগৰিষ্ঠতা বজাই ৰাখিব পাৰি সেয়াই কেন্দ্ৰ বিন্দু হৈ পৰিছে। বিশ্ববেংকৰ 'World Development Report 2017 : Governance and the Law' এক উল্লেখনীয় নথি। এই প্ৰতিবেদনে ফ্ৰান্সৰ চিন্তাবিদ মাইকেল ফ'কাল্টৰ উল্লেখ কৰিছে, যিয়ে আমাক দেখুৱাইছিল যে কেনেকৈ সত্যৰূপে গৃহীত আধুনিকতাৰ মুক্ত আৰু যুক্তি নিৰ্ভৰ অনুষ্ঠানসমূহ ক্ষমতা আৰু সামাজিক শাসনৰ স'তে এৰাব নোৱাৰাকৈ যুক্ত হৈ আছে— আৰু এতিয়া মনোযোগ দিয়াৰ সময়। এই প্ৰতিবেদনখন ইমান দিনে কৰি অহা ধাৰণাৰ বিপৰীতে 'from the margins to the core of development thinking' যাবলৈ চেষ্টা কৰা যেন অনুভৱ হয়।



আনহাতে, বৰ্তমান মোদী চৰকাৰ আৰু বিশেষকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিত্তমন্ত্ৰী অৰুণ জেটলীয়ে সঘনাই কৈ থাকে যে দেশৰ আৰ্থিক বিকাশ বৃদ্ধি হৈছে আৰু পণ্য সেৱা কৰৰ পাছত মুঠ ঘৰুৱা উৎপাদন শতকৰা দুই ভাগ বৃদ্ধি পাব। দেশৰ উন্নয়নে তেওঁলোকৰ মতে এক তীব্ৰ বেগত গতি কৰিছে। এনেকি কিছু প্ৰচাৰ মাধ্যমে মাজে মাজে সমীক্ষা উলিয়াই দেখুৱায় যে এতিয়াও সৰহ সংখ্যক লোকৰ মাজত মোদীৰ জনপ্ৰিয়তা আছে। তেতিয়াই আমাৰ মনত পৰে পেইড নিউজলৈ আৰু নব্য উদাৰ অৰ্থনীতিৰ সমৰ্থকসকলৰ পৰিসংখ্যাই নকলেও ভৱিষ্যতত সম্ভাৱনা বুলি কৰা সপোন। ২০১৪ৰ এন ডি এ চৰকাৰৰ পাছৰ পৰাই কেৱল নিৰ্বাচনমুখী ব্যৱস্থাকেই আঁকোৱালি লোৱা দেখা গৈছে। এক অৰ্থত ইয়ে উচ্চ পৰ্যায়ত কেৱল ক্ষমতা লাভ কৰা আৰু তাৰ পাছত ক্ষমতাসীন হৈ থকাৰহে সজাগতা প্ৰতিফলিত কৰে। ভাৰতৰ প্ৰায় ২৫ বছৰীয়া নব্য উদাৰ অৰ্থনীতিয়ে দেশখনৰ সৰ্বস্তৰত অভাৱ-অনাটন, দুখ-দুৰ্দশা আৰু হতাশা কঢ়িয়াই আনিছে। প্ৰতি বছৰেই কোৱা হয় যে প্ৰায় শতকৰা সাতভাগ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি পাব। লগতে এইটোও কোৱা হয় যে ভাৰতক বৰ্তমান শোচনীয় গোলকীয় পৰিবেশৰ মাজত উজলাই তুলিব। কিন্তু বছৰি প্ৰায় ১৩ নিযুত শ্ৰম শক্তিত যোগ দিয়া যুৱকৰ আৰু তাৰ বাহিৰৰ বঞ্চিত আৰু হিচাপত নধৰা যুৱ শক্তিৰ বাবে এইখন চৰকাৰে কিবা কৰিব পাৰিছেনে? বৰঞ্চ কাম দিয়াৰ পৰিৱৰ্তে কৰ্মহীন লোকৰ সংখ্যা বাঢ়ি গৈ আছে। ২০১১-১২ আৰু ২০১২-১৩ৰ কাম ৭,১০,০০০ পৰা কমি গৈ ২০১৪-১৫ৰ পৰা ২০১৬ৰ এপ্ৰিল-ছেপ্টেম্বৰত ২,৭০,০০০ লৈ নামিল। এই নীতিয়ে কৰ্মহীন লোকৰ সংখ্যা বঢ়াইয়ে আছে। তাৰ ফলত গণ বঞ্চনা আৰু অস্থিৰতা। বজাৰ এনেকি অনানুষ্ঠানিক খণ্ডতো সৰু-সুৰা উদ্যোগ, কাৰখানাত লাখ লাখ নিবনুৱাৰ সৃষ্টি হৈছে। বিমুদ্ৰাকৰণে কোঙা কৰা এই খণ্ডসমূহে এতিয়াও পোনকৈ থিয় হ'ব পৰা নাই। ভাৰতৰ অৰ্থনীতিত ২১ শতিকাৰ প্ৰচণ্ড আলোড়ন, চিত্ত-বিভ্ৰমৰ মাজত সম্ভৱতঃ কে'বা নিযুত কাম কৰা মানুহে, বেছিভাগেই ডেকা আৰু অস্থিৰ, কামৰ বাবে তীব্ৰ আশা পুহি ৰাখিছে যিটো এতিয়ালৈকে হৈ উঠা নাই। কিন্তু আশা কৰি থকা এইসকলৰ প্ৰতিজনকে বিশ্বাস কৰিবলৈ কোৱা হৈছে যে—'এদিন' তেওঁলোকৰ বাবে 'পছন্দ'ৰ কাম আহিব। সংস্কাৰ যুগৰ ভাৰতীয় অৰ্থনীতিৰ হস্তলিপিৰ মাজত গণ-যুৱ হতাশা গভীৰভাৱে লিখা আছে যাৰ প্ৰভাৱ ৰাজনীতি আৰু সমাজত পৰিছে। জানুৱাৰীৰ পৰা এপ্ৰিল ২০১৭ লৈ প্ৰায় ১.৫ নিযুত কাম নোহোৱা হ'ল। এই সময়ছোৱাত নিৰূপণ কৰা মুঠ নিয়োগ আছিল ৪০৫ নিযুত যিটো ইয়াৰ আগৰ চাৰি মাহৰ ভিতৰত ছেপ্টেম্বৰৰ পৰা ডিচেম্বৰলৈ আছিল ৪০৬.৫ নিযুত। এই সমীক্ষা (CMIE ৰ Consumer Pyramids Household Surveys (CPHS)-ৰ দ্বাৰা ১,৬১,১৬৭ ঘৰৰ ৫,১৯,২৮৫ গৰাকী প্ৰাপ্তবয়স্ক লোকৰ সৰ্বভাৰতীয় ভিত্তিত কৰা হৈছিল। ইয়াৰ ফলত নতুন বিনিয়োগো কমিছে। শিল্প উৎপাদন যোৱা এপ্ৰিলত উৎপাদন, খনি আৰু শক্তি খণ্ডত নিম্নগামী হোৱাৰ বাবে শতকৰা ৩.১ ভাগলৈ নামিল। আমি এনে এক অৱস্থাত আছো য'ত নগৰ-চহৰৰ শতকৰা ১০ ভাগ মানুহৰ আয় নিম্নস্তৰৰ শতকৰা ১০ ভাগৰ তুলনাত পাঁচ হেজাৰ গুণে বেছি। তাতোকৈ অমানৱীয় আৰু দেশৰ চেতনা উদ্ৰেক কৰা ঘটনা হ'ল যে উচ্চ পৰ্যায়ৰ আয়ৰ জনসংখ্যাৰ শতকৰা একভাগে জাতীয় সম্পদৰ শতকৰা ৫৮ ভাগৰো বেছি হস্তগত কৰি আছে। কৃষি খণ্ডৰ কমি যোৱা লাভ, কৃষকৰ আত্মহত্যাৰ বৃদ্ধি, কৃষি খণ্ডলৈ সংকটৰ ফলত কৃষকে নিজৰ কৃষিভূমি এৰি চহৰলৈ ঢাপলি মেলিছে। পোন প্ৰথমবাৰৰ বাবে দেশৰ ইতিহাসত কৃষকতকৈ বেছি কৃষি বনুৱা বাঢ়িছে। ইয়াৰ মানেই হ'ল কৰ্প'ৰেট খণ্ডই কৃষি বাণিজ্য দখল কৰা আৰু সময়ত নিৰ্দেশ দি শাসন কৰা যিটো মাৰ্ক্সে কৈছিল 'মূলধনৰ আদিম পুঞ্জীভৱন' (Primitive Accumulation of Capital)।

স্বামী বিবেকান্দই ১৮৯৩ৰ ছেপ্টেম্বৰত চিকাগোৰ ভাষণত কৈছিল —'Sectarianism, Bigotry and, its horrible descendant, fanaticism, have long prossessed this beautiful earth. They have filled the earth with violence, drenched it often with human blood, destroyed civilisation and sent whole nations to despair. Had it not been for these horrible demons, human society would be far more advanced than it is now.'

এনে এক অৰ্থনৈতিক অৱস্থাৰ মোকাবিলা কৰিব নোৱাৰি শাসক দলে ভুৱা প্ৰতিশ্ৰুতি আৰু শেহতীয়াকৈ গো-হত্যাৰ প্ৰসংগ, ধৰ্মীয় উন্মাদনাৰ সৃষ্টি কৰি ৰাজনৈতিক খেলখনত নতুন উপাদান যোগাই বিভাজনৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰিব বিচাৰিছে। ই এক নিৰ্দিষ্ট হিন্দুত্বৰ লক্ষ্য ৰাখি পৰিকল্পিত বিচাৰ ধাৰাৰ প্ৰচাৰ। কেন্দ্ৰ-ৰাজ্যৰ সমন্বয়ৰ পৰিৱৰ্তে কেন্দ্ৰই জাপি দিব খোজা সিদ্ধান্তই দেশৰ সাংবিধানিক চৰিত্ৰৰ প্ৰতি ভাবুকি আনিছে। গণতান্ত্ৰিক মতপোষণৰ বিৰুদ্ধে বাঢ়ি অহা অসহিষ্ণুতাই ইতিমধ্যেই সকলো স্তৰতে এনেকি পূৰ্বৰ সৈনিক প্ৰধানসকলকো বিচলিত কৰিছে। ইয়েই ভৱিষ্যতে গণতন্ত্ৰৰ বাবে এক জলজল পটপট ইংগিত বহন কৰে। কোন ৰাজনৈতিক জোঁটবন্ধন ক্ষমতালৈ আহে সি বিষয় নহয়। যেতিয়ালৈকে এনে অৰ্থনীতি, ৰাজনৈতিক চক্ৰান্ত চলি থাকিব বিত্তীয় সংকটৰ লগত দুখীয়া জনসাধাৰণৰ বাবেও সঞ্চৰণৰ বা পৰিৱৰ্তনৰ বাবে দুখ-কষ্ট লৈ আনিব। স্বাধীনতা, সমানতা আৰু বন্ধুত্বও গণতন্ত্ৰৰ ইপ্সিত লক্ষ্য। যদি এই আকাংক্ষাসমূহ অন্ততঃ আংশিকভাৱে হ'লেও পূৰণ নহয়, গণতন্ত্ৰ সফল হ'ব নোৱাৰে। ভাৰতৰ কে'বা নিযুতো স্থানান্তৰিত, বিতাৰিত, বেদখলকাৰী, শোষিত সামাজিক শ্ৰেণীয়ে এক বৈপ্লৱিক পৰিৱৰ্তনৰ বাবে চিঞৰি আছে। এনে এক অৱস্থাৰ আমূল পৰিৱৰ্তনৰ বাবে নিৰ্বাচনী পছন্দ এক অৰ্থহীন অনুশীলন অন্ততঃ জনসাধাৰণৰ অৰ্থনৈতিক আৰু জীৱন-জীৱিকাৰ নিয়তিৰ সম্পৰ্কত।

*লেখক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা*
*ফোন : ৯৪৩৫৭৩২৯৫৫*

## ভণ্ড বাবাক বৰ্জন কৰক

**অখিল** ভাৰতীয় আখৰা পৰিষদে, আশাৰাম বাপু, ৰাধেমা, সচ্ছিদানন্দগিৰি, গুৰমিত ৰাম-ৰহিম সিং, স্বামী ওমজী নিৰ্মল বাবা, ইচ্ছাধাৰী ভীমানন্দ, নাৰায়ণ ছাই, ৰামপাল আচাৰ্য কুছমণি. বৃহস্পতিগিৰি, ওম নম শিবায় বাবা মালখান সিং আদি কৰি ১৪ জন বাবাক ভণ্ড বাবা হিচাপে ঘোষণা কৰাত সৰ্বস্তৰৰ ৰাইজ আনন্দিত হৈছে। গুৰমিত ৰাম-ৰহিম সিঙৰ 'দটাৰ্ছ এঞ্জেল' হনীপ্ৰীত যদিও জীয়ৰী বুলি জনাজাত কিন্তু ঘৈণীয়েকৰ দৰেই ব্যৱহাৰ কৰি অহা বুলি লোক সমাজত জনাজাত। আমাৰ ৰাজ্যখনো গুৰুৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। বিদ্বান-লোকক ঠগিলেহে আমি হতচকিত হওঁ; কিন্তু তেওঁলোকে লোকে নজনাকৈ চুপ-চাপ থাকিব বিচাৰে। গুৰুৰ নিৰ্দেশত লাখ টকা পৰ্যন্ত পাথৰ পিন্ধা লোকো আমি দেখি থাকো। 'কাম হৈছেনে বুলি সুধিলে—' দ্বিঅৰ্থক উত্তৰ দিয়া দেখিলেহে আমাৰ হাঁহি উঠে। বস্তা বাবাৰ নিদানত কিমান জনে উপকৃত হ'ল নাজানো। টিভি চেনেলবোৰে এই বাবাৰ বিষয়ে প্ৰচাৰ কৰা আমি দেখিছো। মুঠতে টকা মিছাকৈ সৰকোৱাৰ বাবে যে বাবাসকলে কি নকৰে! ঈশ্বৰ পুৰুষ বুলি হৃদয়ত স্থান দিয়া বাবা বা মা-জনী হ'ব লাগিব সন্দেহৰ উৰ্ধ্বত। আমি, আনে বাবা বুলি মান্যতা দি ঈশ্বৰ পুৰুষ বুলি জ্ঞান কৰা লোকজনক মান্যতা দিয়াৰ আগতে তেওঁৰ পূৰ্বৰ কৰ্মৰ পৰিচয় জানিলে শৰণ লোৱা উচিত বুলি বিবেচনা কৰো। ওপৰত উল্লেখ কৰা বাবা বিলাকৰ ভিতৰত 'ৰামপাল' বাবাই জানিব পৰা মতে, গাখীৰেৰে গা-ধুই সেই গাখীৰেৰে পায়স বনাই ভক্তক পায়স খুৱাইছিল। আখৰা পৰিষদক ধন্যবাদ ভণ্ড বাবাৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ বাবে।



**খনীন্দ্ৰ নাথ দাস,** গোসাঁইগাঁও

## কনকসেন ডেকাৰ বাটে-ঘাটে

**বাটে-ঘাটে** পঢ়ি বহুতো নজনা কথা জনাৰ সুযোগ পালো। আচলতে এইখন তেওঁৰ আত্মজীৱনীৰ একাংশ বুলিবও পাৰি। আশা কৰো নতুন প্ৰজন্মই কিতাপখন আদৰি ল'ব আৰু মহৎ লোকসকলৰ জীৱনীৰ পৰা নিজৰ জীৱনলৈও কিছু জ্ঞান সঞ্চিত কৰিব পাৰিব। আশা কৰো, তেওঁৰ অন্যান্য লেখাসমূহো এনেদৰে কিতাপ আকাৰে প্ৰকাশ পাব। দিলীপ কুমাৰ হাজৰিকাৰ 'কতনো দেখিলো, কতনো শুনিলো'ত একালত লেখাসমূহো এখন মূল্যৱান কিতাপ হ'ব। বেদব্ৰত বৰুৱাৰ 'শুকুলা মেঘৰ ছাঁ'ও পঢ়ি ভাল লাগিছিল।

শেষত এনে লেখাৰ দ্বাৰা সামগ্ৰিকভাৱে অসমীয়া সমাজখনক উপকৃত কৰা বাবে লেখকলৈ ধন্যবাদ থাকিল। লেখাসমূহত প্ৰকাশিত ধৰণে তেওঁ যে জাতি, গোষ্ঠী, ধৰ্ম নিৰ্বিশেষে অসমখনক মনে-প্ৰাণে একত্ৰিত কৰি ৰাখিব বিচাৰে সেয়াই স্পষ্ট। এইখিনিতে ডেকাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

**নগেন্দ্ৰ নাথ শৰ্মা**
গণেশ টাৰ্ণিং, নৰকাসুৰ, গুৱাহাটী